**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ইউনানি দিৱস উপলক্ষে দুদিনীয়া আন্তৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ফ্ৰান্সৰ পেৰিছত ২০২৫ বৰ্ষৰ  কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত সহ অধ্যক্ষতা কৰিব।

৩।	নতুন দিল্লীত আজিৰে পৰা ভাৰত শক্তি সপ্তাহ ২০২৫ অনুষ্ঠিত হ'ব।

৪।	নতুন দিল্লীত কালি চতুৰ্থ ভাৰত-ব্ৰিটেইন শক্তি আলোচনা অনুষ্ঠিত হয়।		**আৰু**

৫।	আই এছ এল ফুটবল প্ৰতিযোগিতাত কালি ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত পাঞ্জাৱ এফ চি আৰু ওড়িশা এফ চিৰ মাজৰ খেলখন ১-১ গ'লত অমীমাংসিত হৈ ৰয়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ইউনানি দিৱস উপলক্ষে দুদিনীয়া আন্তৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙ উপস্থিত থাকিব। প্ৰতিবছৰে ১১ ফেব্ৰুৱাৰীত প্ৰখ্যাত ইউনানি চিকিৎসক শিক্ষাবিদ আৰু মুক্তিযুজাৰু হাকিম আজমল খানৰ জয়ন্তী উপলক্ষে ইউনানি দিৱস পালন কৰা হয়। আয়ুষ মন্ত্ৰালয়ৰ অধীনৰ ইউনানি ঔষধৰ কেন্দ্ৰীয় গৱেষণা পৰিষদে দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনে আলোচনা, সহযোগিতা আৰু জ্ঞান বিনিময়ৰ বাবে এখন মঞ্চ হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে। সন্মিলনৰ মূল উদ্দেশ্য হ'ল বিশ্ব স্বাস্থ্য আৰু কল্যাণৰ প্ৰসাৰৰ ক্ষেত্ৰত ইউনানি ঔষধৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোকপাত কৰা।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি ফ্ৰান্সত উপস্থিত হয়। দেশখনত উপস্থিত হোৱাৰ পাছত সশস্ত্ৰ বাহিনী বিভাগৰ মন্ত্ৰী চেবাষ্টিয়ন লেক'ৰ্নুৱে শ্ৰীমোদীক বিমানবন্দৰত আদৰণি জনায়। পেৰিছত থকা ভাৰতীয় লোকসকলেও তেওঁক বিপুল আদৰণি জনায়। ইয়াৰ পাছত শ্ৰীমোদীয়ে কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত অংশগ্ৰহণ কৰা নেতাসকলৰ বাবে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোই আয়োজন কৰা বিশেষ নৈশভোজতো ভাগ লয়। এই নৈশভোজৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সৰ সৈতেও মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে তেওঁ বন্ধু ৰাষ্ট্ৰপতি মেক্ৰো'ক সাক্ষাৎ কৰি উৎসাহিত হৈ পৰা বুলি প্ৰকাশ কৰিছে।

আজি শ্ৰীমোদীয়ে ২০২৫ বৰ্ষৰ কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত সহ-অধ্যক্ষতা কৰিব। তেওঁ লগতে ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি মেক্ৰোৰ লগতে অন্যান্য নেতাসকলৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই ভ্ৰমণৰ সময়ছোৱাত দেশ দুখনৰ মাজত কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

শ্ৰীমোদীয়ে ফ্ৰান্সৰ ঐতিহাসিক নগৰী মাৰ্চেইললৈও যাব আৰু তাত ভাৰতৰ প্ৰথমটো বাণিজ্যিক দূতাবাস মুকলি কৰিব। ইয়াৰ লগতে শ্ৰীমোদীয়ে দুয়োখন দেশকে সামৰি লোৱা এটা আন্তঃৰাষ্ট্ৰীয় সহযোগিতা প্ৰকল্প পৰিদৰ্শন কৰিবলৈ যোৱাৰো কথা আছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীৰ সৰ্বভাৰতীয় আৰ্যুবেদ প্ৰতিষ্ঠানত ভাৰতৰ প্ৰথমটো থলুৱা স্বয়ংক্ৰিয় জৈৱ আৱৰ্জনা নিষ্কাশন উপকৰণ সৃজণম মুকলি কৰিব।

থিৰুৱন্তপুৰমৰ NIST-ৰ দ্বাৰা বিকশিত এই উপকৰণ ভাৰতৰ প্ৰথমটো এনেধৰণৰ আৰ্বজনা নিষ্কাষণ পদ্ধতি।

এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ভাৰতৰ আৰ্থনৈতিক পৰিবৰ্তনৰ বিষয়ে উল্লেখ কৰি দেশ এতিয়া ৫ খন দুৰ্বল দেশৰ পৰা ওলাই আহি বিকাশৰ পথত আগ্ৰসৰ হৈছে বুলি কয়।

তেওঁ স্বাস্থ্যসেৱাত আৰ্বজনা ব্যৱস্থাপনাত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সাজু হোৱা নতুন জৈৱ চিকিৎসা আৱৰ্জনা পৰিশোধন উপকৰণৰ তাৎপৰ্যৰ ওপৰতো আলোক পাত কৰে।

উল্লেখযোগ্য যে ৰোগ সৃষ্টিকাৰী জৈৱ চিকিৎসা আৰ্বজনা বিজানুমুক্ত কৰিৱ পৰাকৈ সৃজনম নিৰ্মাণ কৰি উলিওৱা হৈছে।

ooooo

নতুন দিল্লীত আজিৰে পৰা ভাৰত শক্তি সপ্তাহ ২০২৫ অনুষ্ঠিত হ'ব। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই চাৰিদিনীয়া কাৰ্যসূচী ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰিব। তেওঁ কয়, যে এই কাৰ্যসূচী হৈছে মন্ত্ৰী তথা মুখ্য কাৰ্যবাহী বিষয়াসকলে অংশগ্ৰহণ কৰিবলগীয়া তথা প্ৰদৰ্শনী আৰু ইয়াৰ বিভিন্ন সত্ৰৰ হিচাপত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ শক্তি কাৰ্যসূচী। মন্ত্ৰীগৰাকীয়ে কয়, যে এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনিৰ সফলতাক আন দেশৰ বাবে আৰ্হি হিচাপে প্ৰদৰ্শনৰ দিহা কৰা হৈছে। কাৰ্যসূচীত কানাডা, জাৰ্মানী, জাপান, আমেৰিকা আৰু ব্ৰিটেইন আদিকে ধৰি ১০ খন দেশে অংশগ্ৰহণ কৰিব।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত কাইলৈ মাঘী পূৰ্ণিমাৰ দিনা পবিত্ৰ স্নানৰ বাবে তীৰ্থযাত্ৰী আৰু পৰ্যটকসকলৰ সম্ভাব্য ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় ৰে'লৱেই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ইয়াৰ পূৰ্বে প্ৰয়াগৰাজ ৰে'ল ষ্টেচনৰ ব্যৱস্থাপনাৰ পৰ্যবেক্ষণ কৰে। এই পৰ্যবেক্ষণৰ সময়ত মন্ত্ৰীগৰাকীয়ে যাত্ৰীৰ ভিৰৰ বৰ্তমানৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰি জ্যেষ্ঠ বিষয়াসকলৰ সৈতে ৰে'ল

বিভাগৰ পৰৱৰ্তী প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে মহাকুম্ভা মেলাৰ বাবে চৰকাৰে চহৰখনৰ ৮টা ৰে'ল ষ্টেচনত বিস্তৃত ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

নতুন দিল্লীত কালি চতুৰ্থ ভাৰত-ব্ৰিটেইন শক্তি আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লাল আৰু ব্ৰিটেইনৰ শক্তি সুৰক্ষা সচিব এড মিলিবেণ্ডে যুটীয়াভাৱে অধ্যক্ষতা কৰা এই আলোচনাত শক্তি আৰু নৱীকৰণযোগ্য শক্তিকে ধৰি দুয়োখন দেশৰ শক্তি খণ্ডৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। নেতা দুয়োগৰাকীয়ে সকলোৰে বাবে বহনসাধ্য আৰু নিকা শক্তিৰ সুবিধা উপলভ্য কৰাৰ লগতে শক্তি পৰিৱৰ্তন আৰু অৰ্থনৈতিক বিকাশৰ গতি সন্দৰ্ভত আলোকপাত কৰে। মন্ত্ৰী দুয়োগৰাকীয়ে শক্তি সুৰক্ষা সুনিশ্চিত কৰা আৰু স্থায়ী বিকাশ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰে। তেওঁলোকে লগতে শক্তি বিতৰণ, খণ্ডৰ পুনৰ সংস্কাৰ, ঔদ্যোগিক শক্তি, দক্ষতা আদি খণ্ডত সহযোগিতা বৃদ্ধি আৰু অন্যান্য ক্ষেত্ৰত নতুন সম্ভাৱনাৰ অন্বেষণ সন্দৰ্ভতো আলোচনা কৰে।

ooooo

নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰী, মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমন্যয়ম আৰু সদস্য ডাঃ বিনোদ কুমাৰ পালে কালি নতুন দিল্লীত ৰাজ্য আৰু চৰকাৰী বিশ্ববিদ্যালয়সমূহৰ জৰিয়তে গুণগত উচ্চ শিক্ষাৰ প্ৰসাৰ সন্দৰ্ভত আয়োগৰ প্ৰতিবেদন প্ৰকাশ কৰিছে। প্ৰতিবেদন প্ৰকাশ কৰি শ্ৰীবেৰীয়ে প্ৰতিবেদনত প্ৰকাশ কৰা দিহা পৰামৰ্শসমূহ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰালয় তথা বিভাগসমূহে গুৰুত্ব সহকাৰে ৰূপায়ণৰ ব্যৱস্থা কৰিব বুলি আশা প্ৰকাশ কৰে। দেশত গুণগত উচ্চশিক্ষা প্ৰসাৰৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান আৰু ৰাজ্যসমূহৰ চৰকাৰী বিশ্ববিদ্যালয়ৰ লেখীয়া শৈক্ষিক প্ৰতিষ্ঠানসমূহক আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ড্ৰাগছৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ অংশ হিচাপে ২০২৩ চনত জব্দ কৰা ১৬ হাজাৰ কোটি টকাৰ নিচাজাতীয় সামগ্ৰীৰ তুলনাত ৫৫ শতাংশ বৃদ্ধিৰে ২০২৪ চনত ২৫ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰাৰ কথা ঘোষণা কৰিছে। এটা বিবৃতিযোগে মন্ত্ৰালয়ে চিণ্টেঠিক ড্ৰাগছ কোকেইন আৰু মানসিক ৰোগৰ বাবে ব্যৱহৃত ঔষধৰ সৈতে অধিক হানিকাৰক তথা নিচাত হ'ব পৰা পদাৰ্থ জব্দৰ পৰিমাণ বৃদ্ধি হোৱা বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে জব্দ কৰা কোকেইনৰ পৰিমাণ ২০২৩ চনৰ ২৯২ কিলোগ্ৰামৰ পৰা ২০২৪ চনত এহেজাৰ ৪২৬ কিলোগ্ৰামলৈ বৃদ্ধি পাইছে আৰু ২০২৩ চনত জব্দ কৰা হাচিছৰ পৰিমাণ ৩৪ কুইণ্টলৰ পৰা ২০২৪ চনত ৬১ কুইণ্টললৈ বৃদ্ধি পাইছে।

ooooo

আই এছ এল ফুটবল প্ৰতিযোগিতাত কালি ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত পাঞ্জাৱ এফ চি আৰু ওড়িশা এফ চিৰ মাজৰ খেলখন ১-১ গ'লত অমীমাংসিত হৈ ৰয়। খেলখনৰ প্ৰথমাৰ্ধত পাঞ্জাৱৰ পেট্ৰ'ছ গিয়াকোমাকিছে এটা গ'ল দিয়াৰ পাছত ওড়িশাৰ ৰাহুল কে পিক ফাউলৰ বাবে খেলখনৰ পৰা বাহিৰ কৰি দিয়া

হয়। ইয়াৰ পাছত ওড়িশা ঈশাক ৰাল্টেই খেলখনৰ ৫১ মিনিটত এটা গ'ল দি ১-১ সমতা স্থাপন কৰে। প্ৰতিযোগিতা পাঞ্জাৱ এফ চি-এ ১৯ খেলৰ পৰা ২৪ পইণ্ট লাভ কৰি নৱম স্থানত আৰু ওড়িশা এফ চি-এ ২০ খন খেলৰ পৰা ২৬ পইণ্টেৰে তালিকাৰ সপ্তম স্থানত আছে।

ooooo

সমাপ্ত